# 2017

## ASSAMESE

## ( Major )

Paper : 6.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰথম গল্পটো কোনখন আলোচনীত প্ৰকাশ হৈছিল ?

(খ) 'কাঠনীবাৰীৰ ঘাট' গল্পপুথিখনৰ লেখক কোন ?

(গ) 'সমীৰণ বৰুৱা আহি আছে' নামৰ অসমীয়া গল্পটোৰ গল্পকাৰ কোন ?

(ঘ) ৰজনীকান্ত বৰদলৈৰ সামাজিক উপন্যাসখনৰ নাম কি ?

(ঙ) মানুহৰ বাৰ্ধক্যৰ বিষয়ে লিখা হোমেন বৰগোহাঞিৰ প্ৰকৃতিবাদী উপন্যাসখনৰ নাম কি ?

(চ) 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা' উপন্যাসখন কাৰ ৰচনা ?

(ছ) পূৰবী বৰমূদৈয়ে কোনখন উপন্যাসৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল ?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) শৰৎচন্দ্ৰ গোস্বামীৰ দুখন গল্পপুথিৰ নাম লিখা।

(খ) 'প্ৰহৰী', 'শৃংখল', 'গহ্বৰ', 'সেন্দূৰ'—এই গ্ৰন্থসমূহ সাহিত্যৰ কোনটো শাখাৰ অন্তৰ্গত? গ্ৰন্থকেইখনৰ লেখক কোন?

(গ) 'পদুম কুঁৱৰী' উপন্যাসখন কোনটো ঐতিহাসিক ঘটনাৰ পটভূমিত ৰচিত? উপন্যাসখনৰ ঔপন্যাসিকজনৰ নাম কি?

(ঘ) 'মহাৰথী' উপন্যাসখনৰ আধাৰগ্ৰন্থ কি? উপন্যাসখনৰ লেখক কোন?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ কৰা : ৫×৩=১৫

(ক) "হাকিমৰ ছোৱালী একা, দৰখাস্ত দিলেই যে নিজৰ ফালে ৰায় পাব, এনে আশা নাই, গতিকে সাৱধান।" কথাষাৰ কোনে, কি প্ৰসঙ্গত, কাক কৈছিল? কথাষাৰৰ প্ৰত্যুত্তৰ কেনেদৰে দিয়া হৈছিল?

(খ) গৰু সম্পৰ্কীয় লোককৃষ্টি 'সখা-দামোদৰ' গল্পটোত কিদৰে প্ৰকাশ হৈছে, আলোচনা কৰা।

(গ) "মালতীক কেন্দ্ৰ কৰি তেওঁৰ চকুত এক অবিনাশী স্বপ্ন ভাঁহি থাকিল যদিও নাৰীৰ প্ৰতি তেওঁৰ ধাৰণা উচ্চ নহয়।" নাৰীৰ প্ৰতি দিবাকৰৰ ধাৰণা কিয় উচ্চ নহয়, আলোচনা কৰা।

(ঘ) "এই তৰোৱাল মামৰে ধৰা নাছিল।" 'মামৰে ধৰা তৰোৱাল' উপন্যাসখনৰ শেষ বাক্যটোত ঔপন্যাসিকে কোনখন তৰোৱালৰ কথা ইঙ্গিত কৰিছে? তৰোৱালখনৰ লগত সম্পৰ্কিত ঘটনাটোৰ বৰ্ণনা কৰা।

(ঙ) হৰিজন শ্ৰমিকসকলৰ প্ৰতি শম্ভু পাছোৱানৰ শুভবোধ কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

৪। (ক) যুদ্ধোত্তৰ বা ৰামধেনু যুগৰ চুটিগল্পৰ বৈশিষ্ট্যসমূহ কি কি? কেইটামান গল্পৰ আধাৰত ৰামধেনু যুগৰ গল্পৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা। ১০

*অথবা*

(খ) জনজাতীয় জীৱনৰ পটভূমিত ৰচিত অসমীয়া উপন্যাসৰ এটি আলোচনা আগবঢ়োৱা।

৫। (ক) "মই উপলব্ধি কৰিলো—যেথাৰ অনন্ত সাগৰত পৰি ললিতে প্ৰেয়সী নাৰীৰেই উপাসনা কৰিছে। সেই পূজাৰ মৃদু কৰুণ বিশ্বব্যাপী শংখ-নিনাদে জগতৰ গোটেই নাৰীজাতিৰ গৌৰৱ ঘোষণা কৰিছে।" লিলিৰ এই উপলব্ধিত চৰিত্ৰটোৰ মানসিক পৰিৱৰ্তনৰ ছবি কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'অবিনাশী স্বপ্ন' গল্পটোত গল্পকাৰে প্ৰাকৃতিক দুৰ্যোগৰ প্ৰতীকেৰে কিদৰে দিবাকৰৰ জীৱনলৈ নামি অহা দুৰ্যোগৰ ইঙ্গিত দিছে, বৰ্ণনা কৰা।

৬। (ক) সামাজিক, অৰ্থনৈতিক আৰু শাৰিৰীক ক্ষেত্ৰত হৰিজন শ্ৰমিকসকল উচ্চশ্ৰেণীৰ লোকসকলৰ দ্বাৰা কিদৰে নিষ্পেষিত হৈছে, 'মামৰে ধৰা তৰোৱাল' উপন্যাসখনৰ কাহিনীৰ আধাৰত বিশ্লেষণ কৰা। ১০

*অথবা*

(খ) "মামণি ৰয়ছম গোস্বামীৰ উপন্যাসসমূহ দৰাচলতে মানৱতাৰ সন্ধান।" 'মামৰে ধৰা তৰোৱাল' উপন্যাসখনৰ আধাৰত এই কথাষাৰ বিচাৰ কৰা।

★★★